# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১০০/২০২০

## লখিমপুৰ জিলাৰ বগীনদীত অনুষ্ঠিত কেন্দ্ৰীয় খ্ৰীং খ্ৰীং বাইথ' পূজাত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## গজাই-মনাই ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰকল্পৰ বাবে ১ কোটি টকাৰ আৰ্থিক অনুদান ঘোষণা মুখ্যমন্ত্ৰী সোণোৱালৰ

## কঠোৰ পৰিশ্ৰম আৰু সাধনা অবিহনে কোনো ব্যক্তি, পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰই নিজস্ব সত্ত্বা প্ৰতিষ্ঠা কৰিব নোৱাৰেঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ মাৰ্চ ঃ** ‘একবিংশ শতিকাত জাতীয় পৰিচয় দাঙি ধৰিবলৈ হ'লে কষ্ট কৰিব লাগিব। কঠোৰ পৰিশ্ৰম আৰু সাধনা অবিহনে কোনো ব্যক্তি, পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰই নিজস্ব সত্ত্বা প্ৰতিষ্ঠা কৰিব নোৱাৰে। সোণোৱাল কছাৰী সম্প্ৰদায়ৰ যিখিনি শক্তি, চিন্তা, সামাজিক-সাংস্কৃতিক আৰু মাঙ্গলিক পৰম্পৰা আছে সেইবোৰ উজ্জীৱিত কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব। তাৰ বাবে সকলোৱে সংকল্প গ্ৰহণ কৰা উচিত। খ্ৰীং খ্ৰীং বাইথ' পূজাই এখন শক্তিশালী আৰু আদৰ্শৱান সমাজ নিৰ্মাণ কৰাৰ চেতনা প্ৰদান কৰিছে।' আজি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত তথা লখিমপুৰ জিলা প্ৰশাসন, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ আৰু বৃহত্তৰ বগীনদী বাইথ' সমাজৰ সহযোগত লখিমপুৰ জিলাৰ বগীনদীৰ গজাই-মনাই ক্ষেত্ৰত আয়োজিত কেন্দ্ৰীয় খ্ৰীং খ্ৰীং বাইথ' পূজা উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। এই সভাত মুখ্যমন্ত্ৰী সোণোৱালে গজাই-মনাই ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰকল্পৰ বাবে ১ কোটি টকাৰ আৰ্থিক অনুদানৰ কথাও ঘোষণা কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ সকলোবোৰ সৰু-বৰ জাতি-জনগোষ্ঠীৰ ভাষা-কৃষ্টি-সংস্কৃতি, পৰম্পৰা সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে অসম চৰকাৰে নিষ্ঠাৰে প্ৰয়াস কৰিছে। প্ৰতিটো জাতি-জনগোষ্ঠীৰ পৰম্পৰা আৰু মূল্যবোধ ৰাজ্যিক পৰ্যায়ত আগুৱাই নিয়াৰ বাবে কাম কৰিছে যাতে প্ৰতিটো জনগোষ্ঠী শক্তিশালীভাৱে জীয়াই থাকিব পাৰে আৰু তাৰ জৰিয়তে অসমখন শক্তিশালী কৰি তুলিব পাৰে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমখন শক্তিশালী ৰূপত বিশ্বৰ সন্মুখত তুলি ধৰিবলৈ হ'লে শিক্ষাৰ ওপৰত যথোচিত গুৰুত্ব দিব লাগিব।

বৰ্তমানৰ যুগ প্ৰতিযোগিতাৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ কৰ্মপথাৰত নিজকে সফলভাৱে প্ৰতিফলিত কৰিবলৈ হ'লে উঠি অহা যুৱ চামে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী সোণোৱালে জ্যেষ্ঠ নাগৰিক, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি অধিক ধাউতি বৃদ্ধি কৰিবলৈ আহ্বান জনায়। তেখেতে কয় যে শিক্ষাৰ জৰিয়তেহে যুৱক-যুৱতীসকলে শক্তিশালী ব্যক্তিত্ব গঢ়ি জীৱনত সফল হ'ব পাৰিব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পৃথিৱীত সকলো সম্ভৱ, ইয়াৰ বাবে মাথো প্ৰয়োজন নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ। ছাত্ৰ-ছাত্ৰীসকলক দৈনিক গভীৰ অধ্যয়নত মগ্ন হ'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজিৰ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত বহু প্ৰত্যাহ্বানে দেখা দিছে। সেই প্ৰত্যাহ্বান সমূহক চেৰাই

সফলতাৰে আগবাঢ়ি যাবলৈ সিদ্ধান্ত ল'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজকে সুন্দৰভাৱে পৰিচালিত কৰিব পাৰে তাৰ বাবে তেওঁলোকৰ মনত সাংস্কৃতিক আৰু পৰম্পৰাগত মূল্যবোধ জগাই তোলাৰ উপৰি অভিভাৱকসকলে ভাল-বেয়াৰ জ্ঞান তেওঁলোকক দিব লাগিব। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে মাদক দ্ৰব্যই আজিৰ যুৱ চামটোক গ্ৰাস কৰাৰ প্ৰসংগ উল্লেখ কৰি উঠি অহা যুৱ চামক ইয়াৰ পৰা বিৰত ৰাখিবলৈ সমাজৰ জ্যেষ্ঠ তথা অভিভাৱক সকলক চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনায়।

দক্ষতা সম্পন্ন নাগৰিক সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সাম্প্ৰতিক যুগত প্ৰতিযোগিতাৰ মাত্ৰা বৃদ্ধি হৈছে। দক্ষতা প্ৰকাশ কৰিব নোৱাৰিলে আজিৰ যুগত কোনেও উল্লেখযোগ্য সফলতা লাভ কৰিব নোৱাৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক আদিগুৰু, দীক্ষাগুৰু আৰু শিক্ষাগুৰুৰ পৰামৰ্শৰে আগবাঢ়িলে সমাজত আদৰ বুটলিবলৈ সক্ষম হ'ব বুলি কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে যুৱ প্ৰজন্মক সামাজিক-সাংস্কৃতিক, আধ্যাত্মিক পৰম্পৰা জীয়াই ৰাখি ভাল মানুহ হিচাপে নিজকে গঢ় দিয়াৰ সংকল্প ল'বলৈ আহ্বান জনায়।

যুৱ প্ৰজন্মৰ মাজত ইন্টাৰনেট আৰু সামাজিক মাধ্যমৰ অপব্যৱহাৰৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই মাধ্যমৰ অপব্যহাৰৰ ফলত সমাজত বিভিন্ন সমস্যাই দেখা দিছে। এই ক্ষেত্ৰত উপযুক্ত সচেতনতা আৰু নিৰীক্ষণৰ প্ৰয়োজন বুলি তেখেতে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কোনো ব্যক্তি জ্ঞানী আৰু গুণী হ'লেহে সমাজে গ্ৰহণ কৰে বুলি উল্লেখ কৰি অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰা সমাজক মুক্ত কৰি পৰম্পৰা আৰু মূল্যবোধৰ এখন সমাজ প্ৰতিষ্ঠাৰ যাত্ৰাত সকলোকে সক্ৰিয় ভূমিকা ল'বলৈ আহ্বান জনায়। তেখেতে লগতে প্ৰতিখন শিক্ষানুষ্ঠানকে এখন আদৰ্শ শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত স্থানীয় লোকসকলক দায়িত্ব বহন কৰিবলৈ আহ্বান জনায়।

সভাত ভাষণ প্ৰদান কৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলেই কয় যে অসম চৰকাৰে ৰাজ্যৰ প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীৰ ধৰ্মীয় আৰু পৰম্পৰাগত উৎসৱ সমূহ উদ্‌যাপনৰ জৰিয়তে সমন্বয় আৰু সম্প্ৰীতিৰ বান্ধোন টনকিয়াল কৰিবলৈ প্ৰয়াস কৰিছে। প্ৰতিটো জাতি যাতে সাংস্কৃতিকভাৱে শক্তিশালী হয় আৰু ৰাজ্যখনৰ সকলো জনসাধাৰণে প্ৰতিটো ৰীতি-নীতি সম্পৰ্কে অৱগত হ'ব পাৰে তাৰ বাবে পৰিৱেশ ৰচনা কৰিবলৈ কাম কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত সোণোৱাল কছাৰী জনসাধাৰণৰ সামগ্ৰিক বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰে। তদুপৰি, ঢকুৱাখনা বিধানসভা সমষ্টিটোত শিক্ষা, ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত ৰূপায়ণ কৰা বিভিন্ন আঁচনি আৰু কৰ্মসূচীৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে ৰাইজক অৱগত কৰে।

কেন্দ্ৰীয় খ্ৰীং খ্ৰীং বাইথ' পূজাৰ এই সভাত সমাজ জীৱনলৈ বিশিষ্ট অৱদান আগবঢ়োৱাৰ বাবে ৫ গৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হয়। তেখেতসকল হৈছে ক্ৰমে নিৰন্ত কুমাৰ হাজৰিকা, ধীৰেন কছাৰী, জগৎ সোণোৱাল, ফণীধৰ হাজৰিকা আৰু ৰাতুল দাস। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা এখন স্মৃতিগ্ৰন্থও মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে সভাত উপস্থিত থকা গণ্য-মান্য ব্যক্তিসকলে উন্মোচন কৰে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণু কমল বৰাই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপু ৰঞ্জন মাক্ৰাৰী আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েংগিয়াইও ভাষণ প্ৰদান কৰে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে লখিমপুৰ জিলাৰ পূব দিক্ৰং মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক পুৰঞ্জয় সোণোৱালে।

এই সভাত লখিমপুৰ জিলা পৰিষদৰ অধ্যক্ষ মঞ্জু বুঢ়াগোঁহাই, উপায়ুক্ত ড° জীৱন বি, উদ্‌যাপন সমিতিৰ সভাপতি কোযেশ্বৰ সোণোৱাল, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্যৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**২/০৩/২০২০**